নং ঃ ২৫/২০২১

# বৰাক উপত্যকাৰ মানৱ সম্পদৰ বিকাশৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ১০ জানুৱাৰী ঃ** ‘কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ ৪০ লাখ লোকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে থানাসমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰি তুলিছে। আৰক্ষীয়ে এই উপত্যকাটোৰ অপৰাধীৰ বিৰুদ্ধে যুঁজ দি সুন্দৰ আৰু শান্তিৰ সমাজ নিৰ্মাণৰ পদক্ষেপ লৈছে।’ আজি সাহিত্য মনীষী উপবন আৰু মৈত্ৰী আঁচনিৰ অধীনত নৱ নিৰ্মিত থানাসমূহৰ শুভ উদ্বোধন উপলক্ষে ধলাইৰ ৰামপ্ৰসাদপুৰ বন গাঁৱত যৌথভাৱে আয়োজিত আন এখন সভাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে উৎপাদন বৃদ্ধি, দক্ষতা আৰু যোগ্যতা প্ৰকাশৰ জৰিয়তে আজিৰ বিশ্বত নিজৰ শ্ৰেষ্ঠতা দাঙি ধৰিব লাগিব। অকল বিশ্বৰ বুকুতে নহয় ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ মাজত ইতিমধ্যে প্ৰতিযোগিতা আৰম্ভ হৈছে। যিখন ৰাজ্যই উপযুক্ত মানৱ সম্পদ আবিষ্কাৰ, সৃষ্টি আৰু পাৰদৰ্শীতা দেখুৱাব পাৰিব তেওঁলোকেই শ্ৰেষ্ঠত্ব অৰ্জন কৰিব পাৰিব। বৰ্তমানৰ ৰাজ্য চৰকাৰে ৰাজ্যখনৰ ৭০ লাখ পৰিয়ালক স্বাৱলম্বী, আত্মনিৰ্ভৰ কৰি তুলিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰীৰ আত্মনিৰ্ভৰ ভাৰতবৰ্ষৰ আহ্বানক সঁহাৰি জনাই আত্মনিৰ্ভৰ অসম গঢ়াৰ যাত্ৰাত সকলোৰে সহযোগিতা আগবঢ়াব লাগিব। তেতিয়াহে শিক্ষা, সাহিত্য সংস্কৃতি, কৃষি, ব্যৱসায়-বাণিজ্যকে ধৰি সকলো ক্ষেত্ৰতে ৰাজ্যখন প্ৰাণৱন্ত হৈ উঠিব।

১৯২৫ চনতে এই উপত্যকাৰ শিক্ষাবিদ তথা সাহিত্যিক সুৰেন্দ্ৰ চক্ৰৱৰ্তীয়ে অশ্ৰু মালিনী নামৰ গ্ৰন্থৰ জৰিয়তে বৰাক-ব্ৰহ্মপুত্ৰৰ সমন্বয়ৰ লগতে পাৰ্বত্য জিলাৰ প্ৰাকৃতিৰ ৰমনীয় ৰূপ বৰ্ণনা কৰিছে বুলি উল্লেখ কৰি কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ আৰু স্বামী বিবেকান্দই সমাজখনক উজ্জীৱিত কৰিব পৰা শক্তি প্ৰদান কৰি গৈছে। বৰাক উপত্যকাত বহুতো মানৱ সম্পদ আছে। কষ্ট কৰিলে এই মানৱ সম্পদে যোগ্যতা অৰ্জন কৰিব পাৰিব। খেতিয়কসকলে বিজ্ঞান সন্মত কৃষি পদ্ধতিক আকোৱালি লৈ উপাৰ্জন দুগুণ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। শক্তি বৃদ্ধি কৰিব পাৰিলেহে শক্তিশালী ভৱিষ্যত নিৰ্মাণ কৰাটো সম্ভৱ বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে হিতাধিকাৰীসকলক বেংকৰ জৰিয়তে পুঁজি প্ৰদান কৰাৰ ফলত হিতাধিকাৰীয়ে ১০০ শতাংশই ধন লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমানৰ চৰকাৰৰ দিনতে মধ্যভোগী ব্যৱস্থাৰ বিলোপ সাধন হৈছে। বিজেপি হৈছে স্বচ্ছ, নিকা আৰু সুশাসন ব্যৱস্থাৰ এক উৎকৃষ্ট নমুনা।

দক্ষিণ অসম মণ্ডলৰ আৰক্ষী উপ-মহাপৰিদৰ্শক দিলীপ কুমাৰ দেই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, প্ৰধান মুখ্য বন সংৰক্ষক অৰবিন্দ মাধৱ সিঙেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত অসম বিধান সভাৰ উপাধ্যক্ষ আমিনুল হক লস্কৰ, সাংসদ ৰাজদ্বীপ ৰায়, বিধায়কসকল ক্ৰমে মিহিৰ কান্তি সোম, কিশোৰ নাথ, দিলীপ পাল, ৰাজদ্বীপ গোৱালা, বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, অসম আৰক্ষী গৃহ নিৰ্মাণ নিগমৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, আৰক্ষী অধীক্ষক ভাঁৱৰ লাল মীনা প্ৰমুখ্যে বন বিভাগৰ উচ্চপদস্থ বিষয়া তথা গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

পুঃডেঃ
১০/০১/২০২১